# Course- 503

# প্ৰাথমিক পৰ্যায়ত ভাষা শিকন

## ব্লক - ২

## ভাষা শিকনৰ লগত জড়িত কৌশলসমূহ

## গোট - ৫

## গোট ৫ ঃ পঠন

# গাঁথনি

৫.০ পৰিচয়

৫.১ শিকন উদ্দেশ্য

৫.২ পঠনৰ অৰ্থ কি?

৫.৩ পঢ়িবলৈ সক্ষম হোৱাৰ হ'বলৈ কিয় প্ৰয়োজন?

৫.৪ পঢ়িবলৈ শিকোৱাৰ কৌশল বা পদ্ধতিসমূহ

৫.৪.১ পঢ়িবলৈ শিকোৱাৰ বৰ্তমান পদ্ধতিসমূহ আৰু ফলাফলসমূহ

৫.৪.২ পঢ়িবলৈ শিকাৰ সক্ষমতা

৫.৪.৩ পঢ়িবলৈ শিকাবলৈ আমি কি কৰিব পাৰো?


৫.৪.৪ কিছুমান কাৰ্যকলাপ

৫.৫. পঠন আৰু লিখনৰ মাজত থকা আন্তঃসম্পৰ্ক

৫.৬ আমি কি শিকিলো

৫.৭ পঠন আৰু প্ৰাসংগিক পুথিৰ বাবে পৰামৰ্শ ঃ

৫.৮ অধ্যায়ৰ শেষ অনুশীলনীবোৰ



টোকা

## ৫.০ পাতনি ঃ

এই অধ্যায়টোত আমি পঠনৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিম। এগৰাকী ছাত্ৰই পাঠ্যপুথি এখন পঢ়োতে কেনেকৈ পঢ়ে তাক জানিবলৈ চেষ্টা কৰিম আৰু পঠনৰ সকলো উপাদান যিবোৰ এই প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত হৈ আছে তাক পৰীক্ষা কৰিম। পঢ়িবলৈ কিয় শিকিব লাগে সেই বিষয়ে আমি ভাবিম আৰু পঠন আৰু লিখনৰ মাজত থকা সম্পৰ্ক আলোচনা কৰিম। যিহেতু প্ৰাথমিক শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকাত সহায় কৰা, গতিকে অতি দৰকাৰী কথাটো হ'ল আমি ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকাৰ সম্ভাৱনা বৃদ্ধি কৰিব লাগিব।

এই অধ্যায়ত আমি ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ শিকিবলৈ যাওঁতে কেনেকৈ তেওঁলোকে অধিক আগ্ৰহী হ'ব পাৰে আৰু এই ক্ষেত্ৰত মনোগ্ৰাহী পাঠৰ ভূমিকা কি হ'ব এই সম্পৰ্কেও আলোচনা কৰিম। আমি পঢ়িবলৈ শিকাৰ পূৰ্বে শিকনৰ বাবে সিদ্ধান্ত লোৱা অৱস্থা বা স্তৰবোৰ বা সেই ধৰণৰ প্ৰশ্নবোৰ আলোচনা কৰিম। এগৰাকী ছাত্ৰই একপক্ষীয়ভাৱে শিকে নে সামগ্ৰীকভাৱে শিকে?

## ৫.১ শিকনৰ উদ্দেশ্য ঃ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- পঠনৰ বহল অৰ্থ বুজিবলৈ সক্ষম হ'ব।
- ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব নোৱাৰাৰ কাৰণ সমূহ বুজিব পাৰিব।
- পঢ়িবলৈ শিকোৱাৰ পদ্ধতিসমূহ বিশ্লেষণ কৰিব পাৰিব।
- ভাষা যে অংশ হিচাপে নহয় বৰং সম্পূৰ্ণকৈ শিকিব পাৰি সেইটো বুজিব পাৰিব।
- পঠনৰ সম্ভাৱনীয় প্ৰক্ৰিয়াবোৰ চিনাক্ত কৰিব পাৰিব।
- শ্ৰেণীকোঠাত পঢ়িবলৈ শিকোৱাৰ বিভিন্ন কৌশলসমূহ (strategies) ব্যৱহাৰ কৰিব পাৰিব।
- পঢ়িবলৈ শিকাবলৈ যাওতে পঠন সামগ্ৰী আৰু প্ৰাসংগিক সামগ্ৰীৰ যে গুৰুত্ব আছে তাক অনুধাৱন কৰিব পাৰিব।
- পঠন আৰু লিখনৰ মাজত থকা আন্তঃসম্পৰ্ক স্পষ্ট কৰিব পাৰিব।

## ৫.২ পঠনৰ অৰ্থ ঃ

প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষকৰ আটাইতকৈ জটিল আৰু ডাঙৰ প্ৰত্যাহ্বান হ'ল ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকাত সহায় কৰা। এইটো বৰ কষ্টকৰ কাম কাৰণ পঠন এটা


টোকা

সহজ কৌশল বা আহৰণ প্ৰক্ৰিয়া নহয়। ই কথিত ভাষাৰ পৰা সম্পূৰ্ণ পৃথক, যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ অহাৰ আগেয়ে স্বাভাৱিক পৰিৱেশত স্বাধীনভাৱে কষ্ট নকৰাকৈ শিকে। এই প্ৰক্ৰিয়াত বহু উপ কৌশল আৰু প্ৰজ্ঞাত্মক সামৰ্থ নিহিত হৈ থাকে। দৰকাৰী প্ৰশ্নটো হ'ল- পঠন বুলিলে আমি কি বুজো? সাধাৰণতে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে পাঠ্যপুথি ডাঙৰকৈ পঢ়িব পাৰিলে (সৰৱ পঠন) ই যথেষ্ট বুলি শিক্ষকে ভাবে। পাঠ্যপুথিৰ ভিতৰত বা প্ৰাসংগিক পুথিৰ ভিতৰত কি লিখা আছে সেইবোৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি পাইছে নে নাই তাৰ ওপৰত শিক্ষকৰ গুৰুত্ব কম।

পঠন হৈছে এটা সৃজনশীল (enterprise) কাৰণ ছাত্ৰ বা ছাত্ৰী এগৰাকীয়ে পাঠ্য পুথিত লিখাৰ দৰে সৰৱ পঠন নকৰে, কিন্তু তেওঁলোকৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি সেইবোৰৰ অৰ্থ প্ৰকাশ কৰে। পঠনত পাঠৰ অৰ্থ অনুধাৱন কৰাটো অতি দৰকাৰী। যেতিয়া আমি পঢ়ো, আমাৰ মন আৰু চকুযুৰি চাই থকা বৰ্ণবোৰৰ পিনে সম্পূৰ্ণকৈ নাযায়, বা সম্পূৰ্ণ যতি, বিৰাম চিন আদিলৈ (punctuations) আনকি প্ৰতিটো শব্দ লৈ নাযায়। এইটোৱে ইয়াকে বুজায় যে আমি যেতিয়া পঢ়ো আমি বাক্যৰ প্ৰতিটো উপাদানৰ প্ৰতি মন নিদিওঁ, যদি আমি বৰ্ণৰ বিষয়ে, যতি, বিৰাম চিন আৰু শব্দ আদিৰ বিষয়ে প্ৰতি কম মনোযোগ দিও, ই বোজা আৰু অসহ্যকৰ হ'ব আৰু আমি কি পঢ়িব লাগে আমি ধৰিবই নোৱাৰিম। আকৌ ছাত্ৰ-ছাত্ৰীয়েও পঢ়িবলৈ সামৰ্থ নহ'ব। জটিল আৰু দীঘল পাঠ পঢ়া দূৰৈৰ কথা আনকি সৰু বাতৰি পঢ়াই তেওঁলোকৰ বাবে দুৰূহ হ'ব। এগৰাকী পাকৈত পঢুৱৈয়ে বিশেষ শব্দ বা বাক্যৰ আখৰৰ আকৃতি, প্ৰতি লক্ষ্য নিদিয়ে।

পঢ়োতে এটা নিৰ্দিষ্ট গতিত চকুযুৰি অগা-পিছা আৰু তল-ওপৰ কৰি থাকে। তেওঁ/তাইৰ লিখিত পাঠৰ এটা সূক্ষ্ম অংশহে চকুত পৰে আৰু তেওঁ/তাই বাকী অংশ পূৰ্ব অভিজ্ঞতা আৰু কামৰ (anticipation) ওপৰত ভিত্তি কৰি অনুধাৱন কৰে। ইয়াৰ থাকিবলগীয়া কাম আৰু পূৰ্বজ্ঞান পঢুৱৈজনৰ পঢ়াৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰে। পঢুৱৈজনে পঢ়াখিনিক কিছু ক্ষুদ্ৰ অংশ বুজি কি লিখিবলৈ সম্ভৱ হ'ব সেইখিনি ক'ব, যিদৰে সি/তাই অন্য ক্ষুদ্ৰ অংশ অৱলোকন কৰে, সেইদৰে সম্পূৰ্ণকৈ নপঢ়াকৈ সি/তাই জানিবলৈ সক্ষম হ'ব। কাচিৎহে কিমান দূৰ অগ্ৰগতি লাভ কৰিছে তাৰ লগত সম্পৰ্ক নাৰাখে, গতিকে আপুনি পিছুৱাই যাব আৰু পুনৰ পৰীক্ষা কৰক। সেইবাবে পঠনত তলত দিয়াখিনি অন্তভুক্তি কৰা হয়। পঠন হৈছে লিখিত পাঠৰ অৰ্থ নিষ্কাশন কাৰ্য বা লিখিত পাঠ অৰ্থ উলিয়াই অনা প্ৰক্ৰিয়াই হ'ল পঠন।

⇨ পঠনে ধাৰণা গঠন কৰিবলৈ, ভাৱৰ সংযোজন কৰিবলৈ আৰু সেইবোৰ মনত ৰাখিবলৈ সক্ষম কৰি তোলে।



টোকা

- ⇨ পঠনে পাঠ বুজি ইয়াৰ সাপেক্ষে যুক্তি আৰু মতামত দিবলৈ সক্ষম হোৱাত সহায় কৰে।
- ⇨ পঠনে বৰ্ণ চিনাক্তকৰণ বা কথা বাক্য ডাঙৰ ডাঙৰকৈ কোৱা নুবুজায়, ই তাতকৈ বহুত বেছি বুজায়। যেনে কি লিখা হৈছে লিখাখিনি বুজি নিজৰ নিজাববীয়াকৈ বুজাখিনি ব্যৱহাৰ কৰিব পাৰিছে নে নাই তাকে বুজায়।
- ⇨ পঠনে শব্দৰ কিছু অংশ উচ্চাৰণ কৰা নুবুজায় বৰং ই পাঠৰ ওপৰত কথোপকথন, কৰিবলৈ সামৰ্থ্য কৰি তোলে আৰু ইয়ে অভিজ্ঞতা আৰু ধাৰণা গঠন স্থিৰ কৰে। ধাৰণা গঠনত সহায় কৰে।
- ⇨ পঠন এবিধ সামগ্ৰিক প্ৰক্ৰিয়া, ইয়াত আখৰৰ আকাৰ আৰু ইয়াৰ লগত সংযুক্ত উচ্চাৰণ, বাক্য গঠন, শব্দ গঠন অন্তৰ্ভুক্ত হৈ আছে আৰু বাক্যৰ অৰ্থ নিহিত হৈ থকাৰ লগতে যুক্তি দিয়া সামৰ্থও নিহিত হৈ আছে।
- ⇨ পঠনৰ অতি দৰকাৰী কথাটো হ'ল লিখিত তথ্য বা চিহ্ন (প্ৰতীক)ৰ পৰা অৰ্থ উলিয়াই অনা।

গতিকে এইটো স্পষ্ট হ'ল যে পঠন হ'ল কিছুমান সামৰ্থৰ সমষ্টি যিয়ে লিখিত বা ছপা সামগ্ৰীৰ সৈতে ইয়াৰ অৰ্থৰ সংযোগ কৰাত সহায় কৰে।

পঢ়াৰ সামৰ্থ্যই ছাত্ৰ এগৰাকীক অধিক প্ৰভাৱিত, আকৰ্ষিত কৰে, আৰু সেয়ে হ'ল পঠনৰ অৰ্থৰ সূত্ৰ। গতিকে পঠনৰ অৰ্থ হ'ল বুজি পঢ়া।

## অগ্ৰগতিৰ নিৰীক্ষণ-১

১। পঠনৰ বাবে কোনটো আটাইতকৈ দৰকাৰী (✓) দিন দিয়ক।

(ক) লিখিত পাঠৰ অৰ্থ উলিওৱা

(খ) পাঠৰ প্ৰতিটো শব্দ পঢ়া

(গ) এটা গতিত খৰকৈ ডাঙৰকৈ পঢ়া

(ঘ) যতি, বিৰাম চিন (punctuation) আদিত গুৰুত্ব দিয়া।

২। পঠনত অন্তৰ্ভুক্ত বিভিন্ন দিশবোৰ কি কি?

---------------------------------------

---------------------------------------

---------------------------------------

৩। ‘পঠন হৈছে সৃষ্টিশীল কলা’

কেনেকৈ প্ৰমাণ কৰিব?

------------------------------------------

------------------------------------------

------------------------------------------

## ৫.৩. পঢ়িবলৈ সক্ষম হোৱাৰ উপকাৰিতা/ পঢ়িবলৈ সক্ষম হোৱাৰ বাবে প্ৰয়োজন কিয়?


আমি জানো যে কিতাপ নপঢ়াকৈও জ্ঞান লাভ কৰিবলৈ পাৰি এইটো মূলতঃ এটা নীতি। যেতিয়া ছপা বা লিপি/মুদ্ৰণ নাছিল সমাজত জ্ঞান, সংস্কৃতি আৰু পৰম্পৰাবোৰ কিতাপ নপঢ়াকৈ/নিলিখাকৈ বিনিময় (আদান-প্ৰদান) ঘটিছিল। আনকি বৰ্তমানো বহু সমাজত এতিয়াও মৌখিকভাৱে সকলোবোৰ বিনিময় (আদান প্ৰদান) হৈ আছে, যিয়ে নহওক জ্ঞানৰ বিকাশ আৰু আদান-প্ৰদান, ছপা বা মুদ্ৰণবোৰ বিকাশৰ বাবে (suspantialy) অপৰিবৰ্তিতভাৱে বৃদ্ধি হোৱাতো সম্ভৱ হৈছে।

আজিৰ পৃথিৱীত কিতাপে এখন অতি দৰকাৰী স্থান দখল কৰিছে আৰু কিতাপ পঢ়িবলৈ আৰু লিখিবলৈ প্ৰয়োজন হৈ পৰিছে। বুজি পঢ়িলে ব্যক্তিত্ব গঠন হয় আৰু আত্মবিশ্বাস বাঢ়ে। পঢ়িবলৈ সামৰ্থ হ’লে আমাৰ বাস্তৱৰ লগত খাপ খুৱাই জীয়াই থকাত সহায় হোৱাই নহয় আমি দূৰ দূৰণিত থকা ঠাইবোৰো ঢুকি পাব পাৰো বা এই ঠাইবোৰৰ লগত পৰিচয় হ’ব পাৰো। ‘সাহিত্য’ হৈছে এনে এক উদাহৰণ। নেহৰুৰ মতে ‘পঠনে বিভিন্ন দিশ বুজাত সহায় কৰে বা ভাগ লয় আৰু ই আমাৰ জীৱনৰ পৰিৱৰ্তন ঘটায়; আমাৰ ব্যক্তিগত অভিজ্ঞতা সীমিত, সেইখিনি কিতাপ পঢ়িহে ইয়াৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে।

সামৰণিত ক’ব পাৰি যে পঢ়াৰ সামৰ্থ্যই আমাৰ জ্ঞান বৃদ্ধি কৰাত সহায় কৰে। ইয়ে পটুৱৈ এগৰাকীক বহলভাৱে ভবাত সহায় কৰে, যুক্তি প্ৰদৰ্শনকাৰী আৰু উদাৰতাৰে সমীহ কৰি চলাত সহায় কৰে। ই এগৰাকী মানুহক বহল মনৰ গৰাকী, সামাজিক, সাংস্কৃতিক আৰু সহজ সৰল ভদ্ৰ হ’বলৈ প্ৰভাৱান্বিত কৰে।

## ৫.৪. পঢ়িবলৈ শিকোৱাৰ বিভিন্ন পদ্ধতি আৰু উপায়সমূহ

সাধাৰণতে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকোৱা কামটো শিক্ষকৰ বাবে এটা বৰ টান



টোকা

কাম। কাৰণ শিকাবৰ বাবে কোনো সৰল আৰু অব্যৰ্থ পদ্ধতি নাই। প্ৰত্যেক পদ্ধতিৰে নিজা সীমাবদ্ধতা আছে। এগৰাকী শিক্ষকেহে কোনটো পদ্ধতি উপযুক্ত সেইটো সিদ্ধান্ত ল'ব পাৰে। এনেধৰণৰ অসুবিধা থকা সত্বেও এবাৰ যদি পঠন আহৰণ কৰা হয়, ই অতি প্ৰেৰণাদায়ক হয় আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনত ই ব্যাপকভাৱে নিৰ্ভৰশীল হয়।

যদি আমি এবাৰ ছাত্ৰ-চাত্ৰীক কিতাপত আৰু পঠনত মন বহুৱাব পাৰো তেতিয়া হ'লে তেওঁ সি কিমান অনৰ্গলভাৱে পঢ়িব পাৰিব তাক ধৰিবই পৰা নাযায়।

এতিয়া প্ৰশ্নটো প্ৰকৃততে হ'ল— আমি ছাত্ৰ-ছাত্ৰীক কেনেকৈ পঢ়িবলৈ শিকাম বা কেনেকৈ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ শিকিব? যদি আমি আমাৰ চাৰিওফালে চাওঁ আৰু কি হৈছে আমি বিশ্লেষণ কৰো আমি বিফল হওঁ। ইয়াৰ কাৰণ কি? হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি বছৰে পঢ়িবলৈ শিকিবলৈ চেষ্টা কৰে, কিন্তু সিহঁতৰ বেছিভাগেই মন দি পঢ়িব নোৱাৰে। বহুতে পাছ কৰে কিন্তু পঠন কাৰ্যটো ভাল নাপায়। এই অনুত্তীৰ্ণৰ কাৰণ আচলতে অনুপযুক্ত শিক্ষণ কাৰ্য বুলি কোৱা হয়।

কোনো শিক্ষককে ছাত্ৰ-ছাত্ৰীক মনোযোগেৰে পঢ়াৰ সামৰ্থ লাভ কৰাত সহায় কৰে বুলিব নোৱাৰি। কেতিয়াবা দেখা যায় শিক্ষকেও পঢ়িবলৈ সামৰ্থ বঢ়াবলৈ কি কি উপায় লাগে সৰ্ম্পূকৈ ক'ব নোৱাৰে আৰু কেনেকৈ উন্নত কৰিব পাৰি তাকো নাজানো। কিন্তু বেছিভাগ শিক্ষকৰে পঠনৰ সম্পৰ্কত এটা সহজাত অনুভূতি আছে।

এইটো চিনাক্তকৰণৰ প্ৰয়োজন যে যেতিয়ালৈকে ছাত্ৰ-ছাত্ৰীয়ে পঢ়াখিনি বুজিবলৈ সামৰ্থ হয় আৰু পূৰ্ব অভিজ্ঞতাৰ লগত সংযোগ ৰাখে তেতিয়াহে আমি ক'ব নোৱাৰে যে তেওঁ/তাইৰ পঢ়িবলৈ সম্পূৰ্ণ উন্নত সামৰ্থ আছে। এই ক্ষেত্ৰত পঠনৰ সূত্ৰ এইদৰে দিব পাৰি— পঠন হ'ল ছপা বা লিখা সামগ্ৰীত নিহিত হৈ থকা অৰ্থ বিচাৰি উলিওৱা প্ৰক্ৰিয়া; ইয়াত দফাবোৰৰ শাৰীবিলাক পঢ়াৰ সামৰ্থ্যও নিহিত/অন্তৰ্ভুক্ত হৈ আছে।

আমি যদি ওপৰৰ পঠনৰ সূত্ৰটো গ্ৰহণ কৰো, তেন্তে অনুষ্ঠানিক আৰু অনানুষ্ঠানিক প্ৰাথমিক শিক্ষাৰ পদ্ধতিবোৰ উপযুক্ত নহ'ব। উদাহৰণস্বৰূপে, আমি আলোচনা কৰা মতে, বৰ্ণ ডাঙৰকৈ পঢ়ি, বৰ্ণমালা বৰ্ণ মনত ৰখা, বুজি নোপোৱাকৈ বাৰে বাৰে সাধু কোৱা, ডাঙৰকৈ পাঠ পঢ়া (নুবুজাকৈ) আদি উপযুক্ত কাম নহয়। এইবোৰত লিখিত কথাৰ লগত অৰ্থৰ সংযোগ স্থাপন কৰিব নোৱাৰি। বহু বিদ্যালয়ত, আনকি বৰ্তমানো 'অ' বৰ্ণটো অমিতাৰ লগত 'ই' বৰ্ণটো ইটাৰ লগত সংযোগ হৈ থকা দেখা যায়। ইয়াত ছাত্ৰ-ছাত্ৰীয়ে পঠনত অ-তে অমিতা, 'ই'-তে ইটা এনে ধৰণৰ অৰ্থ বুজাব। একে ধৰণে যদি এটা সাধু /গল্প পঢ়োতে এবাৰ এটা শব্দ পঢ়া হয়, আমি কোনো বিশেষ অৰ্থ উলিয়াব নোৱাৰিম আৰু ইয়াত কোনো ঘৰুৱা পৰিবেশো সৃষ্টি কৰিব নোৱাৰিম আৰু কোনো সম্পৰ্ক স্থাপন

টোকা

কৰিব নোৱাৰিম।

আনকি যদি কোনো তথ্যই ছাত্ৰ-ছাত্ৰীক অৰ্থ শিকাত সহায় কৰে তেতিয়া সেইবোৰ আংশিকভাৱে সত্য আৰু এইটো একমাত্ৰ সম্ভৱ হ'ব যদি ছাত্ৰ-ছাত্ৰীয়ে অৰ্থ বুজি পঢ়িবলৈ যথেট সময় বিদ্যালয়ত থাকিবৰ সুবিধা পায়।

আমি ভাবিব লাগিব যে যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণ আৰু শব্দ বাৰে বাৰে চাই চাই পঢ়ি পঢ়ি অশান্তি অনুভৱ কৰে আৰু বাৰে বাৰে ডাঙৰকৈ পঢ়ে, তেওঁলোকে আধাতে পঢ়া এৰে আৰু তেওঁলোকৰ পঢ়াৰ প্ৰতি মন নোহোৱা হয়।

এনেধৰণৰ শৃংখলাবদ্ধ কামবোৰে কেৱল কমসংখ্যক ছাত্ৰ-ছাত্ৰীকহে পঢ়িবলৈ শিকায়। আমি পঢ়িবলৈ শিকোৱা এই পদ্ধতিটো চিনাক্তকৰণ কৰিব লাগিব, যিটো অতি অসহ্য আৰু ফলদায়ক নহয়। কাৰণ ইয়াৰ জৰিয়তে বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক শিক্ষা শেষ কৰাৰ আগেয়ে বিদ্যালয় এৰে।

## অগ্ৰগতিৰ নিৰীক্ষণ - ২

১. ছাত্ৰ-ছাত্ৰীৰ পঠনত মনোযোগ বৃদ্ধি কেনেকৈ কৰিব? (✓চিন দিয়ক)

(ক) পাঠ্যপুথি ব্যৱহাৰ কৰি

(খ) বৰ্ণমালাৰ আখৰ মনত ৰাখি

(গ) পঢ়িবলৈ শিকোৱাৰ আকৰ্ষণীয় পদ্ধতি ব্যৱহাৰ কৰি।

(ঘ) গল্প/ সাধু মনত ৰাখিবলৈ মুখস্থ কৰি।


২. এটা পঢ়াৰ সুস্থ সুন্দৰ সামৰ্থত কি কি উপাদান নিহিত হৈ আছে?

সুস্থ সুন্দৰ পঠনৰ উপাদানসমূহ কি কি?

৩. বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক শিক্ষা শেষ কৰাৰ আগেয়ে বিদ্যালয় এৰে কিয়?

## ৫.৪.১ পঢ়িবলৈ শিকোৱাৰ জনপ্ৰিয় পদ্ধতিসমূহ আৰু সিহঁতৰ ত্ৰুটিসমূহ ঃ

বৰ্তমান আমি আমাৰ বিদ্যালয়বোৰত যিবোৰ পদ্ধতি ব্যৱহাৰ কৰো সেইবোৰ পঠনৰ মূল নীতিৰ পৰা আঁতৰি যোৱা যেন লাগে।




আমি ছাত্ৰ-ছাত্ৰীক পঠনত পোৱা জটিলতাবোৰৰ সহায়ক হোৱাকৈ কিছুমান সাধাৰণতে বিদ্যালয়ত ব্যৱহাৰ হোৱা পদ্ধতি উল্লেখ কৰিছো। আমি প্ৰত্যেকটো জনপ্ৰিয় নিয়মৰ ব্যৱহাৰ কৰাৰ আগতে প্ৰশ্নও কৰিছো। প্ৰকৃততে এইবোৰে ছাত্ৰ-ছাত্ৰীক সহায় কৰে নে নকৰে আমি নিশ্চিত নহয়।

- **খৰকৈ পঢ়া নিয়মবোৰ জানি ঃ**

এইটো জনা কথা যে আচলতে পঢ়াৰ কোনো নিয়ম নাই। অন্ততঃ ইয়াত ছাত্ৰ-ছাত্ৰীৰ বাবে কোনো সূত্ৰ বা সৰলীকৃত ব্যৱস্থা নাই। সকলো পাকৈত পঢুৱৈয়ে পঢ়িবলৈ প্ৰয়োজনীয় জ্ঞানৰ বিকাশ কৰে কিন্তু কোৱাতকৈ তেওঁলোকে সচেষ্ট পঠনৰ পৰাহে জ্ঞানৰ বিকাশ কৰে। এইটো ছাত্ৰ-ছাত্ৰীয়ে মৌখিক ভাষা আহৰণৰ এটা স্বকীয় প্ৰক্ৰিয়া। এগৰাকী ছাত্ৰই কোনো নিয়ম নিশিকোৱাকৈ ফুটাই মাতিব আৰু বুজিব পাৰে। এইটো ক'ব নোৱাৰি যে ব্যাকৰণে ছাত্ৰ-ছাত্ৰীক কথা কোৱাৰ সামৰ্থ বৃদ্ধি কৰে। এইটো কোনো প্ৰমাণো নাই যে উচ্চাৰণৰ অভ্যাস নকৰা বা নপঢ়া কাৰ্যই পঢ়াৰ সামৰ্থ বৃদ্ধি কৰে। সাধাৰণতে পঠনৰ নিয়ম বুলি যিবোৰ জনা যায়, সেইবোৰ আচলতে নিৰ্দেশনাহে আৰু সেইবোৰে পঠনৰ আৰম্ভণি স্তৰবোৰ সূচায়। পঢ়িবলৈ শিকা মানে নিয়ম মনত ৰখা নহয়, ছাত্ৰ-ছাত্ৰীয়ে নিজে পঢ়ি শিকাটোহে বুজায়।

- **পঠনৰ বাবে ছাত্ৰই উচ্চাৰণৰ নিয়মবোৰ মনত ৰাখিব লাগিব আৰু প্ৰয়োগ কৰিব লাগিব**

এটা বহলভাৱে গৃহীত মতামত আছে যে শব্দ আৰু ইয়াৰ লগত সংযুক্ত প্ৰতীকৰ লগত সংযোগ ৰাখিব পাৰিলেহে পঢ়াৰ সামৰ্থ্য আহে। পাঠ উচ্চাৰণ কৰাতেই পঠনৰ আৰম্ভণি বা শেষ নহয়। সেইবাবে আমি শব্দ উচ্চাৰণ কৰাৰ আগেয়ে অৰ্থ উলিয়াব লাগিব নহ'লে আমি কথা ক'ব নোৱাৰো (শব্দটো নজনাকৈ)। বৰ্ণক শব্দ কৰাৰ অপ্ৰয়োজনীয়তা নাই কিন্তু ই এটা বিফল প্ৰচেষ্টা। আমি যদি অলপ মন দি চাওং, এইটো স্পষ্ট হ'ব যে এগৰাকী পাকৈত পঢুৱৈয়ে বৰ্ণক শব্দলৈ ৰূপান্তৰ নকৰে। এনেধৰণৰ প্ৰক্ৰিয়াই অৰ্থ বুজাত সহায় নকৰে বৰং ই মূলৰ পৰা আঁতৰিহে থাকিব। তথাপিও প্ৰায়ে মন্তব্য দিয়া হয় যে ছাত্ৰ-ছাত্ৰীসকলে শব্দৰ উচ্চাৰণৰ অৰ্হতা বিকাশ কৰিব (অলপ অলপকৈ) যিহেতু যিবোৰ বৰ্ণ ব্যৱহাৰ কৰা হয় সেইবোৰ সিহঁতে আগতে নেদেখাকৈ শব্দ চিনাক্তকৰণ কৰিব নোৱাৰে।

- **একে সময়তে এটা বৰ্ণ বা শব্দ শিকোৱাত গুৰুত্ব দি ঃ**

অন্য এটা বিস্তৃতভাৱে বিশ্বাস আছে যে কিছুমান ছাত্ৰই বস্তুৰ নাম, বৰ্ণ আৰু কিছুমান শব্দ শিকিবলৈ টান পায় এই ক্ষেত্ৰত ল'বলগীয়া একমাত্ৰ উপায় হ'ল বাৰে বাৰে

টোকা

অভ্যাস কৰণ। ছাত্ৰ-ছাত্ৰীক বাৰে বাৰে অভ্যাস কৰোৱালে এনে সমস্যাবোৰ সমাধান কৰিব পাৰি। এইটো এটা শিকন প্ৰক্ৰিয়াৰ চৰম আৰু অশুদ্ধ সৰলীকৰণ প্ৰক্ৰিয়া।


ছাত্ৰ-ছাত্ৰীয়ে/শিশুৱে আদি ৫-৬ বছৰ বয়সৰ ভিতৰত প্ৰতিদিনে প্ৰায় এহাজাৰ শব্দ শিকে, আৰু ইয়াৰে বেছি সংখ্যকেই শব্দ আৰু নাম, আৰু এইবোৰ সাধাৰণতে প্ৰথম প্ৰচেষ্টাতেই ছাত্ৰই শিকে।

যি পদ্ধতিত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীবিভাগ কৰিবলৈ বা সমষ্টি কৰিবলৈ শিকে ই সম্পূৰ্ণ নিৰ্দেশনাভিত্তিক। ক'ত নামটো ব্যৱহাৰ কৰা হৈছে, সেই অৱস্থাটো সিহঁতে চাই লয় আৰু ভৱিষ্যতে সহায় কৰিব পৰা বৈশিষ্ট্যবোৰ চিনাক্তকৰণ কৰে। তেওঁলোকে যিকোনো ধাৰণা এটা বুজিবলৈ অনুমানৰ সহায় ল'ব পাৰে আৰু বাৰে বাৰে পৰীক্ষা কৰি সংস্কৰণ কৰি ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে কৰা ভুলবোৰে অগ্ৰগতিৰ উপায় বুজাত সহায় কৰে (কল্পনাকে ধৰি) উদাহৰণস্বৰূপে এজন ছাত্ৰই চাৰিঠেঙীয়া জন্তুক কুকুৰ বুলি মাতে, আমি ক'ব পাৰো যে তেওঁ/তাই চাৰিঠেঙীয়া জন্তু মানে কুকুৰ বুলিহে বৰ্তমান মনলৈ আনিছে। যদি এই নামটো সকলো চাৰিঠেঙীয়া জন্তু হিচাবে টেবুলকো লয় আমি বুজিম/ অনুমান কৰিম যে তেওঁলোকৰ 'জীৱ' সম্পৰ্কে কোনো ধাৰণা নাই। যদি তেওঁলোকে নিজৰ কুকুৰটোকহে 'কুকুৰ' বুলি কয় তেতিয়া হ'লে এইটোৱে ইয়াকে বুজাব যে তেওঁলোকে একেবাৰে সাধাৰণীকৰণ কৰিব পৰা নাই।

ছাত্ৰ-ছাত্ৰীসকলেহে কেৱল এনেধৰণৰ অনুমান কৰিব পাৰে, যেতিয়া তেওঁলোকে এটা দলৰ সদস্যসকলৰ লগত বাকী সদস্য নোহোৱাসকলৰ লগত তুলনা কৰিব পাৰে। এতিয়া দৰকাৰী কথাটো হ'ল যে কুকুৰ নহ'লেও অইন চাৰিঠেঙীয়া জন্তুৰ বিষয়ে জনাটো। ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা কৰি বা অইনৰ মতামত বিবেচনা কৰিহে তেওঁলোকৰ অনুমানৰ অগ্ৰগতি উন্নীত কৰিব পাৰিব। এনে অৱস্থা বৰ্ণ আৰু শব্দ শিকনৰ বেলিকাও উদ্ভৱ হয়। সিহঁতক 'অ' বৰ্ণটো বেলেগকৈ আৰু বাৰে বাৰে দেখুৱালেও এইটো যে 'অ' সিহঁতে ধৰিব নোৱাৰে। তেওঁলোকে 'য' ক ঘ হিচাপে আৰু ঘক 'য' হিচাপে ক'ব। একেলগে দেখুৱাৰ পিছত বাৰে বাৰে দেখুৱাৰ সলনি কেনেকৈ পৃথক হ'ব পাৰে সেইটো বিচাৰ কৰিব দিব লাগে।

ইয়াত তেওঁলোকে প্ৰথমে বুজিব পাৰিব লাগিব আৰু তাৰ পিছতহে পাৰ্থক্য উলিয়াব পাৰিব লাগিব। ইয়াৰ পিছতহে তেওঁলোকে বৰ্ণ দুটাৰ পাৰ্থক্য বুজিব পাৰিব।

- ছাত্ৰ-ছাত্ৰীসকল অনুমান আৰু আগেয়ে কৰা আশাৰ পৰা নিৰুৎসাহী হ'ব আৰু আঁতৰি আহিব আৰু সদায় শব্দটোকে পঢ়িব। এগৰাকী পাৰ্গত পঢুৱৈয়ে কম/সূক্ষ্ম দৃশ্য তথাহে বেছিকৈ ব্যৱহাৰ কৰে। প্ৰতিটো শব্দ পঢ়ি যোৱাৰ আগেয়ে অৰ্থ জানিবলৈ পঢ়াটো বেচি সহজ। লাহে লাহে পঢ়াতকৈ খৰকৈ পঢ়াটো বেছি সহজ। আমি এতিয়ালৈ যিয়ে ক'লো যে সাৱধানে কৰা পঠন সলসলীয়া পঠন নহয় আৰু



টোকা

কোনো উদ্দেশ্য নথকাকৈ পঢ়াটো 'পঠন' একেবাৰে নহয় Good man যে পঠনৰ শুদ্ধ সূত্ৰটো এইদৰে দিছে যে 'পঠন হ'ল মনো-ভাষিক (phycho-linguistic) অনুসন্ধানিক চিন্তা (Speculation), পঢ়িবলৈ সক্ষম হ'বলৈ অৰ্থ উলিওৱাটো অতি প্ৰয়োজনীয় কথা। ই আন্ধাৰত চিকাৰ কৰা প্ৰথা নহয় কিন্তু উপলব্ধ তথ্যৰ পৰা ভৱিষ্যতবাণী কৰা (precdicting)। তথ্যভিত্তিক চিন্তাই উপলব্ধ তথ্যৰ সুব্যৱহাৰৰ সূচনা কৰে। অইন কথাত আমি পূৰ্ণ পঠন আশা কৰি প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব আৰু আমি নিশ্চিত হ'ব লাগিব যে আমাৰ আশা যাতে অনিশ্চিতভাৱে কমি নাযায় আৰু অৰ্থ উদঘাটন কৰিবলৈ সূক্ষ্ম দৃশ্য তথ্য ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব পাৰো। যেতিয়া আমি এটা জটিল পাঠ, অচিনাকি পাঠ আৰু জটিল উপন্যাস পঢ়ো আৰু প্ৰযুক্তি সম্পৰ্কীয় লিখনি বা বিদেশী ভাষা এটা পঢ়ো (প্ৰয়োজন সাপেক্ষে) আমি জানো যে শাৰী শাৰীকৈ পঢ়ি আগবাঢ়ি যোৱাটো টান হ'ব আমি অভিধান চাই চাই হে আগবাঢ়িব পাৰিম। আমি অনুভৱ কৰিম বা কৰিব পাৰো আমি লাহে লাহে ধীৰে ধীৰে সুস্থিৰে পঢ়া উচিত, কিন্তু আটাইতকৈ ভাল পদ্ধতি (কৌশলটো হ'ল পঢ়ি যাওতে টানপাঠক অৰ্থ উলিয়াই যোৱাটো)


- **প্ৰতিটো শব্দ পঢ়ি যাওঁতে গুৰুত্ব দিয়া উচিত ঃ**

এইটো সত্য যে পৃথক শব্দ/বেলেগ শব্দ শিকা বা চিনাক্ত কৰাটো শিকাৰ এটা আটাইতকৈ টান উপায় আৰু এইটো শব্দ চিনাক্তকৰণত গুৰুত্ব নিদিয়াৰ এইটো অন্য এটা কাৰণ। এগৰাকী পাকৈত পঢ়ুৱৈয়ে ইয়াৰ বাবে অন্য উপাই ব্যৱহাৰ কৰিব পাৰে। যেতিয়া এটা শব্দত এটা বৰ্ণ ব্যৱহৃত হয় বা যেতিয়া এটা অৰ্থপূৰ্ণ বাক্যত এটা শব্দ ব্যৱহাৰ কৰা হয়, ইয়াক চিনাক্তকৰণত সহজ হয়। শব্দ চিনাক্তকৰণ কৰাটো পঠনৰ এটা আটাইতকৈ দৰকাৰী উপাদান নহয়। এটা শব্দক আন শব্দৰ পৰা পৃথক কৰিবলৈ হ'লে এটা বাক্যত থকা শব্দৰ বাবে তুলনামূলক বহু ইংগিত দেখুৱাব লাগিব। যিহেতু আমাৰ দেখা প্ৰতীক আমি মনত ৰাখিব নোৱাৰো আৰু আমাৰ স্মৃতি সীমিত, সেইবাবে বহু দেখা তথ্যৰ দৰকাৰ হোৱা প্ৰক্ৰিয়াই পঠন কাৰ্য অতি জটিল কৰিব। আটাইতকৈ দৰকাৰী পঢ়িবলৈ শিকাৰ দিশটো হ'ল লিখাখিনি বুজিবৰ বাবে সাম্ভাব্য দেখা তথ্যবোৰ চিনাক্তকৰণ কৰা।

পাকৈত পঢ়ুৱৈয়ে শব্দ নপঢ়ে, তেওঁলোকে বিষয়বস্তু পঢ়ে। শব্দ পঢ়াতকৈ শব্দৰ অৰ্থ উলিয়াবলৈ পঢ়াটো বেছি সহজ। ছাত্ৰ-ছাত্ৰীয়ে নিশ্চয়কৈ ভালকৈ এইটো জানে, কাৰণ প্ৰতিটো শব্দ পঢ়ি গ'লে তথ্য বুজাৰ ক্ষেত্ৰত এটা বৃহৎ চাপ পৰিব।

- **শুদ্ধকৈ আৰু নিৰ্ভুলভাৱে সঠিকভাৱে কৰা পঠনেই অৱশ্যম্ভাবী/সঠিক কৰ্তব্য ঃ**

ভুল নোহোৱাকৈ কোনেও শিকিব নোৱাৰে। আমি যদি ভুল হোৱা সম্ভাৱনা নাই বুলি কওঁ, তেন্তে আমি আনকি জন্তু, উদ্ভিদ, গছ-গছনিৰ নামেই শিকিব নোৱাৰো আৰু



টোকা



বৰ্ণ, শব্দ আদি পঢ়িব নোৱাৰো। আচলতে ভুল কৰা বা ভুল হোৱাৰ ভয়তে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ চেষ্টা নকৰে আৰু এইটোৱে শিকনৰ এটা আটাইতকৈ ডাঙৰ বাধা। পঢ়িবলৈ চেষ্টা কৰা, পঢ়িবলৈ শিকা প্ৰক্ৰিয়াক এটা স্বাভাৱিক আৰু দৰকাৰী অংগ বুলি ক'ব পাৰি।


যদি কোনো ছাত্ৰই পঢ়াৰ আগতেই গম পায় যে তেওঁ/তাইৰ শুদ্ধ হ'ব, তেন্তে অলপো লাভ নহ'ব। আনহাতে যদি তেওঁ/তাই জাপ মাৰে/লৰালৰি কৰে আৰু বস্তুৰ নাম আৰু শব্দৰ অৰ্থ আন্দাজতে অনুমানতে কয় আৰু ভুল হ'ব পাৰে বুলিও সজাগ হয়, তেতিয়া এই কামৰ পৰা কিছু শিকিব পাৰে। এইটো তেওঁ/তাইক অনুমান পৰীক্ষা কৰি কোৱা হয়যে তেওঁ/তাই কৰা অনুমানৰ লগত কিছু সংযোগ কৰিবলৈ শিকিছে। যদি তেওঁ/তাইৰ শুদ্ধ হয় তেতিয়া তেওঁ/তাইৰ অনুমানৰ সিদ্ধান্ত দৃঢ় হ'ব। আৰু যদি ভুল কৰে তেতিয়া এইটো পৰিবৰ্তন কৰিবলৈ প্ৰয়োজনীয় তথ্য পাব।

## ● ভুল হ'লে ভুলবোৰ দেখুৱাই দি ঃ

এটা বিশেষ শব্দ পঢ়োতে যদি এজন ছাত্ৰই ভুল কৰে শিক্ষকে ভুলটো দেখুৱাই দিয়াতো সহজ। এইটোৱে ছাত্ৰ-ছাত্ৰীক সহায় নকৰে। তেওঁ/তাই শব্দ চিনাক্তকৰণৰ বাবে পঢ়া নাই, তেওঁ/তাই অৰ্থ উলিয়াবলৈহে পঢ়িছে। যদি ছাত্ৰ/ছাত্ৰীগৰাকীয়ে শব্দ চিনাক্তকৰণৰ অভ্যাস কৰি আছে আৰু যজি জানে যে তেওঁ/তাই শুদ্ধভাৱে শব্দটো চিনাক্ত কৰিছে তেন্তে এটা তাৎক্ষণিক মতামতৰ প্ৰয়োজন হ'ব। কিন্তুদি ছাত্ৰ/ছাত্ৰীগৰাকীয়ে অৰ্থ বুজিবলৈ পঢ়িছে, তেন্তে তাৎক্ষণিক মতামত তেওঁ/তাইৰ বাবে অপকাৰী হ'ব। এইটোৱে দেখুৱাই দিয়ে যে পঠন প্ৰক্ৰিয়াত আমি সকলোৱে সময়মতে আমি কি পঢ়িলো তাকে পৰীক্ষা কৰা হয়। আমি বুজি যাওতে আমাৰ নিজা ভুলবোৰ পৰীক্ষা কৰিম আৰু অৰ্থৰ বাবে পঢ়োতে শব্দ চিনাক্ত কৰিম।

## ● ছাত্ৰ-ছাত্ৰীক নিজে পঢ়িবলৈ প্ৰেৰণা উৎসাহ দিওঁতে সাৱধান হৈ ঃ

ছাত্ৰ-ছাত্ৰীয়ে প্ৰায়ে কোনেও নিশিকোৱাকৈ পঢ়াৰ বিভিন্ন কথা/দিশ শিকে। বহুতৰে আকৌ অভিভাৱকেও নাজানে আৰু কেতিয়াবা শিক্ষকেও নজনাকৈ থাকে। যেনে — কোনেও ছাত্ৰক নকয় যে 'But'ত u যে a (আ) আৰু 'put'ত uয়ে 'উ' বুজায়। ছাত্ৰ/ছাত্ৰীয়েও বুজি পায় যে বহু ক্ষেত্ৰত বৰ্ণ এটা শেষত বা মাজত থাকক শব্দৰ গাঁথনিৰ ওপৰত নিৰ্ভৰ কৰি উচ্চাৰণ কৰা হয় বা কেতিয়াবা কৰা নহয়। উদাহৰণস্বৰূপে হিন্দীত ছাত্ৰ-ছাত্ৰীয়ে নিয়মটো বুজি পায় যে 'মৰ' ত 'ম' বৰ্ণটো স্বৰবৰ্ণৰ সৈতে উচ্চাৰিত শব্দ আৰু 'ৰম'ত স্বৰবৰ্ণ নোহোৱাকৈ আধা উচ্চাৰিত হ'ব। আনহাতে kram (ক্ৰম) ক্ৰম আৰু trank (ট্ৰংক) ট্ৰাংকত rএৰ উচ্চাৰণ স্পষ্ট/সম্পূৰ্ণকৈ কৰণ হয় যদিও বেলেগে বেলেগে উপস্থাপন কৰা হয়। আপুনি প্ৰতীকৰ লগত সংলগ্ন শব্দৰ এনে বহু নিয়মৰ কথা ভাবিব



টোকা

পাৰে, যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজে অন্তঃকৰণেৰে এইবোৰ ভাবিব পাৰে।

আমি যদি প্ৰশংসা কৰো যে ছাত্ৰ-ছাত্ৰীয়ে নিজে এনেকুৱা জটিল নিয়মবোৰ চিনাক্ত কৰিবলৈ, সক্ষম হয়, তেনেহ'লে আমি তেওঁ/তাইক শিকোৱা পদ্ধতি সম্পূৰ্ণ পৰিবৰ্তন কৰিব লাগে। শুদ্ধতা আৰু সঠিকতাৰ সলনি আৰু ভুল শুদ্ধ কৰি, আমি ছাত্ৰ-ছাত্ৰীক ইয়াতকৈ অধিক মনোগ্ৰাহী আৰু প্ৰত্যাহ্বানযুক্ত সামগ্ৰী যোগান ধৰি ছাত্ৰ-ছাত্ৰীক পঠনত মন বহুৱাব পাৰি।

## অগ্ৰগতিৰ নিৰীক্ষণ - ৩

১। পঢ়িবলৈ শিকাৰ স্বাভাৱিক আৰু আটাইতকৈ দৰকাৰী অৱস্থাটো হ'ল (তলৰ এটাত (✓) চিন দিয়ক)

(ক) পঢ়াৰ সময়ত ভুল কৰা

(খ) ভুল নকৰা

(গ) বৰ্ণ মুখস্থ কৰা

(ঘ) শব্দ মুখস্থ কৰা

২। যেতিয়া এগৰাকী ছাত্ৰই পঢ়িবলৈ শিকি থাকে, পঢ়ি থকা সময়ত ভুলটো তাৎক্ষণিকভাৱে শুধৰাই দিয়া দৰকাৰ নাই, কিয়?

..........................................................

..........................................................

..........................................................

৩। 'পঢ়িবলৈ শিকাটো এটা নিয়ম মুখস্থকাৰী কাম নহয়'? কিয়?

............................................................

............................................................


............................................................

৪। পঢ়িবলৈ শিকোৱাৰ বিভিন্ন উপায়বোৰ কি কি?

.......................................................................

.......................................................................

৫। পঢ়িবলৈ শিকোৱাৰ বৰ্তমান পদ্ধতিবোৰৰ ত্ৰুটিবোৰ কি কি? উদাহৰণ সহ ব্যাখ্যা কৰক—



টোকা

..............................................................

..............................................................

..............................................................

৬। 'ছাত্ৰ-ছাত্ৰীয়ে পঠনৰ বহু দিশ নিজে নিজে শিকে'— এই কথাষাৰ প্ৰমাণ কিদৰে কৰিব?

..............................................................................

..............................................................................

..............................................................................

## ৫.৪.২ পঢ়িবলৈ শিকাৰ বাবে সামৰ্থকাৰী/সমৰ্থক

**পঢ়াৰ সুবিধাসমূহ ঃ**

যেতিয়া ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকোৱা হয়, কিছুমান কথা মনত ৰখা উচিত; প্ৰথমটো হ'ল যিবোৰ আহিলা ব্যৱহাৰ কৰা হয় সেইবোৰ অৰ্থপূৰ্ণ হ'ব লাগিব আৰু ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী হ'ব লাগিব।

দ্বিতীয়টো হ'ল সামগ্ৰীবোৰ/আহিলাবোৰ ছাত্ৰ-ছাত্ৰীৰ চিনাকি হ'ব লাগিব।

তৃতীয়টো হ'ল শিক্ষকে ছাত্ৰ-ছাত্ৰীক পঢ়িবৰ বাবে যথেষ্ট সুবিধা দিব লাগিব আৰু বিভিন্ন আহিলাৰ বিষয়ে বুজিব, জানিব লাগিব।

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত অৰ্থপূৰ্ণ কথা-বতৰা পাতিব লাগিব, তেওঁলোকৰ কথা মন দি শুনিব লাগিব আৰু শিক্ষকৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মৰম-চেনেহ থাকিব লাগিব আৰু লগত পতা অন্যৰ কথা-বতৰা শুনিব লাগিব। লিখিত সামগ্ৰীসমূহ বৰ্ণ, শব্দ, সুৰ দিয়া ইত্যাদি লৈ ভঙাৰ প্ৰশ্ন নাহে। লিখিত বৰ্ণ, শব্দ আদি ভাঙিলেও পঠনত কোনো ধৰণৰ সহায় নহয়। পঠন বা অংশ অংশকৈ বা পূৰ্বে নিৰ্ধাৰিত নিয়মত শিকা বস্তু নহয়। পঠন কেৱল পঢ়িহে শিকিব পাৰি আৰু ছাত্ৰ-ছাত্ৰীৰে পঠন কাৰ্য আনন্দদায়ক হ'লেহে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ শিকিব পাৰিব।

- **পঠন উদ্দেশ্যপূৰ্ণ আৰু প্ৰত্যাহ্বানযুক্ত হ'ব লাগিব ঃ**

পঠনৰ আহিলাবোৰ পঢ়ুৱৈৰ বাবে দৰকাৰী, অৰ্থপূৰ্ণ আৰু প্ৰত্যাহ্বান যুক্ত হ'ব লাগিব।

টোকা

যেতিয়া আমি কিবা পঢ়োঁ, আমি কিছুমান উদ্দেশ্য হাতত লৈ পঢ়োঁ।

ধেমালিৰ বাবে পঢ়া, জানিবৰ বাবে পঢ়া, সাধুৰ ক্ৰম বুজিবৰ বাবে পঢ়া, সাধু এটা পঢ়ি সাধুটোৰ শেষত কি হ'ল জানিবলৈ পঢ়া, চাৰিওফালে ঘটা ঘটনা জানিবলৈ পঢ়া আৰু এনেবোৰ সামগ্ৰী যিবোৰ ব্যৱহাৰ কৰা হৈ আছে সেইবোৰ লিখিতভাৱে আছে নে নাই ইত্যাদিবোৰ পঠনৰ উদ্দেশ্য হ'ব পাৰে। যদি তেওঁলোকক একেধৰণৰ প্ৰত্যাহ্বানবোৰ দিয়া হয়, এই প্ৰত্যাহ্বানবোৰে ছাত্ৰ-ছাত্ৰীক বেছিকৈ শিকাৰ সুবিধা দিব, তেওঁলোকে কি শিকিছে সেইবোৰ কোৱাৰ সুবিধা দিব আৰু তেওঁলোকৰ অভিজ্ঞতা আদান-প্ৰদান কৰাৰ সুবিধা দিব, তেতিয়াহে তেওঁলোকে খৰকৈ পঢ়িবলৈ শিকিব। জানিবলৈ বিচৰাখিনিৰ অৰ্থোদ্ধাৰ কৰিব পৰাটোৱে প্ৰত্যাহ্বান আৰু ইয়াৰ বাবে তেওঁলোকে সচেষ্ট হ'বলৈ প্ৰেৰণা পাব।

যদি এটা শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক পাঠ লিখিব দিয়া হয় তেতিয়া এটা সুপৰিৱেশত আমি আচলতে এটা সক্ৰিয় শ্ৰেণী পাব পাৰো। এটা অৰ্থপূৰ্ণ আৰু প্ৰত্যাহ্বানযুক্ত লিখিত সামগ্ৰীয়ে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকিবলৈ প্ৰেৰণা যোগায় আৰু ই উপযুক্ত পৰিৱেশৰ সৃষ্টি কৰে।

## প্ৰাসংগিক পঠন সামগ্ৰী ঃ

ছাত্ৰ-ছাত্ৰীয়ে প্ৰসংগ অনুসৰি ভাষা শিকে আৰু পঢ়িবলৈ শিকে। সাধু আৰু কবিতাবোৰৰো আকৰ্ষণীয় প্ৰসংগ আছে। যেতিয়া এটা সাধুৰ কথালৈ অহা হয়, আপুনি মাজতে ৰৈ দিব লাগিব আৰু ছাত্ৰ-ছাত্ৰীক পিছৰ অংশ নিজে কৰিবলৈ দিব লাগিব। সাধু এটাৰ স্বাভাৱিক অংশবোৰ (ডাঙৰ সৰু, ওচৰ দূৰ, শকত ক্ষীণ ইতাদি) বহুত দৰকাৰী ধাৰণা। ছাত্ৰ-ছাত্ৰীয়ে এটা সাধুৰ জৰিয়তে সহজে এই ধাৰণাবোৰ গ্ৰহণ কৰিব পাৰে আৰু দৃঢ় হ'ব পাৰে। সাধু এটাৰ প্ৰসংগই ইয়াৰ পাতনি মেলে আৰু যেতিয়া সিহঁতৰ অৰ্থ সম্পন্ন কৰে তেতিয়া অধিক স্পষ্ট হয়। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন চৰিত্ৰবোৰৰ লগত আৰু কাল্পনিক পৰিৱেশত নিজে ৰিজাই সোমাই যাবলৈ সুবিধা পায়। আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলে ধেমালিতে অনুকৰণ কৰিব আৰু কেৱল সম্পূৰ্ণ দেখা চৰিত্ৰসমূহ চাই চাই অুকৰণ কৰিব। উদাহৰণ স্বৰূপে, তেওঁলোকৰ খোজকঢ়া ধৰণ, শব্দ কৰা ধৰণ ইত্যাদি। শহাপহুৰ দৰে জপিওৱা, ঘোঁৰাৰ দৰে গোৰ মৰা, কুকুৰাৰ দৰে পুৱাই ডাক দিয়া আদিৰ দৰে কামবোৰ ইয়াৰ ভিতৰত পৰে। এই প্ৰাসংগিক ঘটনাবোৰে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকাত সহায় কৰে।

## চিনাকি বাক্যৰ গাঁথনি ব্যৱহাৰ কৰি ঃ

ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া পঢ়ে তেতিয়া তেওঁলোকে জনা চিনাকি ভাষাৰ ওপৰত ভিত্তি কৰি আগুৱাই যাবলৈ আগেয়ে ইচ্ছা কৰিব। পঠন সামগ্ৰীসমূহ ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ

টোকা



সৈতে মিলি গ'লে কেনেকৈ পঢ়িবলৈ শিকিব পাৰি, সেইটো বেছি সহজ হ'ব। সেইবাবে এইটো প্ৰয়োজন যে ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনাখিনি, সামগ্ৰীসমূহৰ লগত সম্বন্ধ ৰাখিব লাগিব আৰু এইবোৰ ব্যৱহাৰৰ উপায়সমূহ বিচাৰি উলিয়াব পাৰিব লাগিব। উদাহৰণ স্বৰূপে, যদি এগৰাকী ছাত্ৰই ঘৰত বা ঘৰৰ বাহিৰত এটা সাধু শুনে আৰু যদি সি/তাই পঢ়াৰ সুবিধা পায়, তেতিয়া সাধুটো তাই/সি পঢ়িবলৈ সহজ পাব।

## পঠন কোণ

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ নিৰ্বাচিত শিশু সাহিত্য, শিকন কোণত থকাৰ অতি প্ৰয়োজন। এই কিতাপবোৰ ছাত্ৰ-ছাত্ৰীয়ে সাধুৰ বাবে 'সৰৱ পঠন'ত ব্যৱহাৰ কৰিব পাৰে। এটা সাধু পঢ়ি, শুনি লৈ পঢ়িবলৈ শিকাত সহায় হয়। যেতিয়া এটা ভালপোৱা সাধু ডাঙৰকৈ বহুবাৰ পঢ়া হয়, ছাত্ৰ-ছাত্ৰীয়ে লাহে লাহে ঘটনাৰ ক্ৰমটো বুজিব, বাক্য বিন্যাস বুজিব আৰু সাধুটোৰ অন্য দিশবোৰ বুজিব পাৰিব। এই সকলোবোৰ আগেয়ে আশা ইচ্ছা কৰা ধৰণে পঢ়াত সহায় কৰিব। ছাত্ৰ-ছাত্ৰীৰ বাবে পঠন কোণৰ প্ৰতি আকৃষ্ট কৰিবলৈ, ভাল গুণাগুণ বিশিষ্ট নতুন কিতাপ সময়ে সময়ে ৰাখিব লাগে।

### অগ্ৰগতিৰ নিৰীক্ষণ - ৪

১। পঢ়িবলৈ শিকিবৰ বাবে তলৰ কোনবোৰ সামৰ্থক? আপোনাৰ পছন্দৰ কাৰণ দৰ্শাওক—

(ক) খৰছী (দামী) কিতাপ

(খ) প্ৰাসংগিক বোজাই হোৱা পঠন সামগ্ৰী (Laden reading material)

(গ) ভালপোৱা/চিনাকি বাক্য বিন্যাস ব্যৱহাৰ কৰি,

(ঘ) পঢ়িবলৈ যথেষ্ট সুবিধা দি

২। পঢ়িবলৈ শিকিবলৈ হ'লে প্ৰাসংগিক পঠন সামগ্ৰীৰ প্ৰয়োজন/গুৰুত্ব কি?


.....................................................

.......................................................

৩। শ্ৰেণীকোঠাৰ পঠন কোণ বুলিলে কি বুজে? আপুনি এনেধৰণৰ কোণ কেনেকৈ ব্যৱহাৰ কৰিব?

..................................................................

...................................................................



টোকা

## ৫.৪.৩ পঢ়িবলৈ শিকাবলৈ আমি কি কৰিব পাৰো ?

আমি পঢ়িবলৈ শিকাবলৈ ব্যৱহৃত কৌশলবোৰৰ বিষয়ে জানিলোঁ আৰু সেইবোৰৰ ত্ৰুটি সম্পৰ্কে জানিলোঁ। ইয়াতে এটা প্ৰশ্ন আহে যে যদি সাধাৰণতে ব্যৱহৃত, জনপ্ৰিয় পদ্ধতিবোৰ যথোপযুক্ত নহয়, তেতিয়া হ'লে, ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকাত সহায় কৰিবলৈ ছাত্ৰ-ছাত্ৰীক কি কৰিব পাৰি?

আমি তলত কিছুমান কৌশল আৰু কাৰ্যকলাপ দিছোঁ। মানুহে পৰম্পৰাগত পদ্ধতিবোৰ ব্যৱহাৰ কৰি এইবোৰ আচৰিত আৰু অসম্ভৱ যেন পাব। যিয়েই নহওক, সাধাৰণতে ব্যৱহৃত কৌশলবোৰ আকৰ্ষণীয় আৰু ফলপ্ৰসূ হ'লে আমি নতুন কাৰ্যকলাপ বা পদ্ধতিবোৰৰ বিষয়ে একেবাৰে নাভাবিলোহেঁতেন।

**কিতাপৰ সৈতে আৰম্ভ কৰক ঃ**

আনন্দদায়ক কাৰ্ড, চাৰ্ট, কাঠেৰে সজা বৰ্ণ আদিতকৈ কিতাপৰ সহায়ত পঢ়িবলৈ শিকাবলৈ আৰম্ভণি কৰাটো ভাল কথা।

যিকোনো ক্ষেত্ৰতে উদ্দেশ্যটো হ'ল ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পঢ়াটো নিশ্চিতকৰণ কৰা। চাৰ্ট আৰু অন্যান্য সামগ্ৰীবোৰ কেতিয়াবা ব্যৱহাৰ কৰিব পাৰি, কিন্তু কিতাপৰ দৰে এইবোৰ গুৰুত্বপূৰ্ণ নহয়। যি নহওক আমি প্ৰয়োজনীয় কিতাপৰ ধৰণ জনাৰ প্ৰয়োজন আৰু কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাকো জনাৰ প্ৰয়োজন। এই ক্ষেত্ৰত সৰু আকৰ্ষণীয় সাধুৰ কিতাপ দৰকাৰী হ'ব পাৰে। সাধুৰ সংগ্ৰহ (সাধুৰ কিতাপ)ত সহজ-সৰল আৰু উদাহৰণসহ ছপা সাধু বা হাতে লিখা (পৰিষ্কাৰ পৰিচ্ছন্নকৈ), (উদাহৰণসহ ব্যাখ্যা ছাত্ৰ-ছাত্ৰীয়ে নিজে দিব পৰা) সাধুৰ বাহিৰেও কবিতা, গীত আৰু ভংগিমা গীতো এই সংগ্ৰহত অন্তৰ্ভুক্ত কৰিব পাৰি।

**ছাত্ৰ-ছাত্ৰীক কিতাপ ডাঙৰকৈ পঢ়িবলৈ (সৰৱ পঠন) দি ঃ**

আমি যেতিয়া ছাত্ৰ-ছাত্ৰীক ডাঙৰকৈ পঢ়িবলৈ (সৰৱ-পঠন) দিও ডাঙৰক দলত দিয়া উচিত নহ'ব। ছাত্ৰ-ছাত্ৰীসকলক আপোনাৰ চাৰিওফালে বহুৱাই ল'ব। বাকী ছাত্ৰ-ছাত্ৰীসকলক অন আমোদজনক কাম দিব পাৰি। আপোনাৰ চাৰিওফালে বহা ছাত্ৰ-ছাত্ৰীখিনিয়ে কিতাপৰ পৃষ্ঠা চাবলৈ সক্ষম হ'ব। যেতিয়া পঠন কাম চলি থাকে আপুনি বাহিৰৰ পৰা বস্তু আনি উদাহৰণেৰে ব্যাখ্যা কৰা উচিত। যদি কিছুমান কিতাপত ভালকৈ ব্যাখ্যা কৰা আছে। তেতিয়া সেই কিতাপৰ ব্যাখ্যাবোৰ আপুনি নিজাববীয়াকৈ চমু কৰিব

আৰু ইয়াৰ লগত সংগতি ৰাখিব লাগিব। বৰ দীঘলীয়া বৰ্ণনাৰে সাধুৰ বিস্তৃত পঠনে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব নোৱাৰিব পাৰে। অন্য কথাত, যদি এটা পৃষ্ঠাত এটা বা দুটা কেবল বাক্য থাকে, তেতিয়া পঢ়োতে আপুনি কিছু সংযোগ কৰিব লাগিব। কিতাপত থকা ব্যাখ্যা (চিত্ৰসহ)বোৰ ছাত্ৰ-ছাত্ৰীক দেখুওৱাটো দৰকাৰ আৰু এই বিষয়ে তেওঁলোকক বহলাই কোৱাটো দৰকাৰ।

**কবিতা আবৃত্তি কৰি আৰু গীত গাই ....**

আগেয়ে আশা কৰিবলৈ হোৱা সামৰ্থ হৈছে পঠনৰ এটা দৰকাৰী উপাদান। কবিতাই ইয়াৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লয়। যদি ছাত্ৰ-ছাত্ৰীয়ে নিয়মিতৰূপে কবিতা শুনি পঢ়ে, তেওঁলোকৰ ভাষাৰ গাঁথনি প্ৰশংসা কৰাটোৰ বাবে এটা ডাঙৰ সুবিধা তেওঁলোকে পাব।

কবিতা মনত ৰখাটো সহজ হ'ব যিহেতু ছাত্ৰ-ছাত্ৰীসকলে মুখস্থ কৰিবলৈ কষ্ট কৰিব নালাগে। সিহঁতৰ প্ৰতি অলপ মন দি কি কৈছে কিছু সময় শুনি, আমোদ লৈ আৰু সিহঁতে বাৰে বাৰে কৈ থকাটো নিশ্চিত কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীয়ে ভাল ভাল, বিভিন্ন কিতাপ বিচাৰে। শিক্ষকে স্বাভাৱিক কবিতাবোৰ নিজে নিৰ্বাচন কৰে। আমি ধৰ্মমূলক নীতি শিক্ষাৰ পাঠ থকা কবিতা আমি এৰিম। ছাত্ৰ-ছাত্ৰীয়ে চাৰিওফালে ঘূৰি ফুৰোতে গোৱা গীতবোৰ ৰচী টনা খেল আৰু খেলবোৰ আমি তুলনা কৰি বা মিলাই চাব পাৰোঁ। অৱশ্যে এই সংগ্ৰহত থলুৱা গীতো থাকিব পাৰে। এই সংগ্ৰহো ব্যাখ্যাসহ প্ৰতি পৃষ্ঠাত পৰিষ্কাৰকৈ লিখা কবিতা থকা এখন সৰু কিতাপ হ'ব পাৰে। শিক্ষকে এনে বহু সৰু কিতাপ প্ৰস্তুত কৰি উলিয়াব পাৰে আৰু পুৰণা ছাত্ৰবোৰক ইয়াক প্ৰস্তুতকৰণৰ বাবে মাতিব পাৰে। এই সৰু কিতাপবিলাকত থকা বিষয়সমূহ অনা কিতাপ যি দৰে পঢ়ে সেইদৰে পঢ়িবলৈ দিয়া উচিত। কিতাপবোৰ মাজত লৈ ছাত্ৰ-ছাত্ৰীসকলক চাৰিওফালে বহুৱাই দিয়া উচিত। অলপ সময় পঢ়াৰ পিছত কিতাপৰ সহায় নোলোৱাকৈ আৰু এককভাৱে গোৱা উচিত। যদি কবিতাটো ভাল/উন্নত ধৰণৰ হয়, ছাত্ৰ-ছাত্ৰীয়ে এইটো মনত ৰাখিবলৈ সক্ষম হ'ব আৰু যেতিয়া পঢ়িব তেতিয়া শব্দবোৰ সহজে বুজিব পাৰিব।

উদাহৰণ স্বৰূপে শ্ৰেণীকক্ষত ব্যৱহাৰ কৰিব পৰাকৈ আমি কিছুমান উদাহৰণ দিছো। অনুগ্ৰহ কৰি এনেধৰণৰ অন্য/অইন কবিতা বিচাৰ কৰি বিভিন্ন উপায়েৰে ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰ কৰিবলৈ দিয়ক। উদাহৰণ স্বৰূপে তলত দিয়া চতুৰ্থ শ্ৰেণীৰ কবিতাটোলৈ মন কৰক ঃ

টোকা

# মহো-হো-গীত

ও হৰি মহো-হৌ।
মহ মাইৰ্‌বা টকান লউ।।
মহ গেল মহ্‌মহওঁতে।
হিদাল গাছত পাত খহাওঁতে।।
হিদালি পৰিল।
সকল মহে মৰিল।
হিদেলি ভাইৰে।
টেপৰ পূৰা খাইবে।।
টেপৰত নহ নুন।
চাউল কড়ি একো দোণ।।
চাউল নেদি দিলাক কড়ি
আথেৰ ঘৰত লৰি-চৰি।।
লৰি-চৰি যাওঁতে।
সোণৰ কড়ি পাওঁতে।।
সোণৰ কড়ি ৰূপাৰ মালা
আথেৰ ঘৰ দেইখ্‌বা ভালা।।

বাঁহৰ পাত চাকা চাকা
আমাক দিবো টাকা।।
বাঁহৰ পাত চিকি মিকি।
আমাক দিবো সিকি সিকি।।
হালা বালা সিৰালে।
মৈ দিলা পাটে।।
মহৰ মাকোক পাৰ কইৰ্‌লু।
বুঢ়াদিয়াৰ ঘাটে।।

(আমি ষষ্ঠ শ্ৰেণীৰ অংকুৰণ পুথিৰ পৰা উদাহৰণ দিব পাৰো)

উৎস ঃ ‘বাৰমাহৰ তেৰ গীত’ পৃষ্ঠা -১২৩, সম্পাদনা - প্ৰফুল্ল দত্ত গোস্বামী, দ্বিতীয় তাঙৰণ - ১৯৯০, প্ৰকাশক, সাহিত্য অকাদেমী, নতুন দিল্লী)

## অগ্ৰগতিৰ নিৰীক্ষণ - ৫

১। পঢ়িবলৈ (শিকোৱাৰ শুভ আৰম্ভণি হ'ব (শুদ্ধ উত্তৰত (✓) চিন দিয়ক)

(ক) কাৰ্ডৰ জৰিয়তে

(খ) চটিৰ জৰিয়তে

(গ) কাঠৰ বৰ্ণ আৰু এনে ধৰণৰ সামগ্ৰীৰ জৰিয়তে

(ঘ) কিতাপেৰে

২। 'কেনেকৈ পঢ়িব লাগে' শিকাবলৈ ব্যৱহৃত পৰম্পৰাগত পদ্ধতিৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ/পঢ়াত সহায় কৰিবলৈ অন্য পদ্ধতি আছে নেকি? পদ্ধতিবোৰ কি কি?

......................................................................

......................................................................

......................................................................

৩। কবিতাৰ সহায়ত পঢ়িব শিকাবলৈ কিয় সহজ?

......................................................................

......................................................................

......................................................................

## ৫.৪.৪ কিছুমান কাৰ্যকলাপ

**বৰ্ণমালা চিনাক্তকৰণ ঃ**

আকৰ্ষণীয় সামগ্ৰীৰ সৈতে ব্যস্ত হৈ থাকোতেই ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণমালাৰ জ্ঞান আয়ত্ত কৰিব পাৰে বুলি আমি বিশ্বাস কৰোঁ। এই একে উপায়ে পৃথিৱীত শব্দৰ সৈতে ব্যস্ত হৈ থাকি ছাত্ৰ-ছাত্ৰীয়ে শব্দ আহৰণ কৰে। আনকি এনেধৰণৰ কাৰ্যকলাপে এই প্ৰক্ৰিয়াত সহায় কৰে। উদাহৰণ স্বৰূপে সাধু বা পদ্য (কবিতা)ৰ জৰিয়তে কাৰ্যকলাপ কৰি বৰ্ণমালাৰ চিনাক্তকৰণ কৰাত সহায়ক হ'ব। পদ্য এটা বহুবাৰ গোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীক কোনো এটা বৰ্ণত বৃত্তাকাৰে চিন দিবলৈ ক'ব পাৰি। ইয়াৰ পিছত এনেবোৰ সকলো শব্দ (খ, ঘ, ধ আদি)ৰে তালিকা বনাব দিব পাৰি। তেওঁলোকক এই বৰ্ণযুক্ত বহু শব্দ লিখিব দিব পাৰি। ছাত্ৰ-ছাত্ৰীক উ আৰু ভ থকা শব্দ চিনাক্ত কৰিবলৈ ক'ব পাৰি। ইয়াৰ পিছত আমি কিছুমান নতুন শব্দ বোৰ্ডত লিখিবলৈ দিম আৰু সেইবোৰত থকা বিভিন্ন বৰ্ণবোৰ চিনাক্ত কৰিবলৈ দিম। এইটো মনত ৰখা উচিত হ'ব যে কেতিয়াবা


ইংৰাজী ৰোমান বৰ্ণমালাত শব্দ আৰু বৰ্ণৰ আকাৰ নিমিলে (বিশেষকৈ ভাৰতীয় উচ্চাৰণৰ নিয়মত)। এনে ধৰণৰ নিয়মবোৰ গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক কেতিয়াবা আঙুলিয়াই দিয়া উচিত। এই ধৰণৰ অনুশীলনবোৰ হিন্দী বা অসমীয়াত কৰিব দিব পাৰি, ইয়াত আমি দেৱনাগৰী বৰ্ণমামালাৰ য, ঘ আদিত বৃত্তাকাৰ চিন দিবলৈ দিব পাৰি। একেদৰে 'ব' আৰু 'ৰ'ত বৃত্তাকাৰে ঘেৰ দিবলৈ ক'ব পাৰি য'ত ছাত্ৰই পাৰ্থক্য বিচাৰি উলিয়াবলৈ টান পায়।

## আপুনি কি পঢ়িলে ?

যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ শিকিছে এই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এইটো বুজিবলৈ প্ৰয়োজনীয় কথাটো হ'ল ইয়াত পঠন আৰু কাৰ্য কৰাৰ মাজত এটা সম্পৰ্ক থাকিব পাৰে। এই কাৰ্যকলাপত, শিক্ষকে বোৰ্ডৰ কাষত থিয় হ'ব আৰু কোৰাৰ পৰিবৰ্তে বোৰ্ডত ক্ষুদ্ৰ নিৰ্দেশনা লিখিব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে এটা ক্ৰমিক সংখ্যা থকা উচিত আৰু শিককজনে নিৰ্দেশনাৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ ক্ৰমিক সংখ্যা লিখিব পাৰিব। নিৰ্দেশনাটো (উঠা, বাহিৰলৈ যোৱা, শিল এটা আনা -১০নং)। এই নিৰ্দেশনাটোৱে এইটো বুজাইছে যে ১০নং ক্ৰমিক সংখ্যাৰ ল'ৰাজনে থিয় হ'ব লাগিব, বাহিৰলৈ যাব লাগিব আৰু শিল এটা আনিব লাগিব। তাৰ পিছৰ নিৰ্দেশনাটো হ'ব পাৰে ক্ৰমিক সংখ্যা-৮, শিলটো লোৱা আৰু তোমাৰ আঁঠুত ৰখা। লাহে লাহে এই নিৰ্দেশনাবোৰ বেছি জটিল হ'ব আৰু এনে হ'ব পাৰে যেনে বেৰত থকা পোষ্টাৰবোৰত ছাত্ৰ-ছাত্ৰীয়ে কিছুমান বিশেষ কিবা বিচাৰিব বা মানচিত্ৰত হাস্পতাললৈ যোৱা ৰাস্তা দেখুৱাব বা বিদ্যালয়ৰ ওচৰত থকা গছৰ সংখ্যা গণনা কৰিব পাৰিব, ইত্যাদি।

- **আগত শব্দ- পিছ শব্দ**

এই কাৰ্যৰ বাবে বহুতো কিতাপ থকাৰ প্ৰয়োজন। প্ৰত্যেক শিশুকে এখন এখনকৈ কিতাপ ভগাই দিয়ক যাতে প্ৰত্যেকে সহজে পঢ়িব পাৰে। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক যিকোনো পৃষ্ঠা খুলিবলৈ কওক আৰু সোঁফালে কোণত থকা তলৰ ফালে চাবলৈ কওক। শেষৰ সোঁফালে পৃষ্ঠাটোৰ সোঁফালে কোণত এটা ডাৰি (।) চিন আছে নেকি সোধক। যদি আছে অন্য পৃষ্ঠা লাহে লাহে খুলিবলৈ কওক আৰু এনে এটা পৃষ্ঠা বাচিবলৈ কওক য'ত শেষত ডাৰি (।) নাই। যেতিয়া তেওঁলোকে পাব, পৃষ্ঠা নুলিওৱাকৈ পিছৰ পৃষ্ঠাত প্ৰথম শব্দটো কি হ'ব ক'বলৈ কওক। যদি প্ৰত্যেকেই তেওঁলোকৰ শব্দবোৰ আদান-প্ৰদান কৰে, তেতিয়া পৃষ্ঠা লুটিয়াবলৈ কওক আৰু পৰীক্ষা কৰিবলৈ কওক। যদি অনুমান সত্য হয় তেওঁলোকক উৎসাহিত কৰিবলৈ হাতচাপৰি দিবলৈ কওক। আলোচনা কৰাৰ পিছত শব্দটো শুদ্ধ হৈছেনে নাই পৰীক্ষা কৰাৰ পিছত প্ৰত্যেক ছাত্ৰ/ছাত্ৰীকে অইন পৃষ্ঠা আৰম্ভণি কৰিবলৈ কওক আৰু পিছলৈ ঘূৰি নোযোৱাকৈ আগৰ পৃষ্ঠাৰ শেষৰ শব্দটো ক'বলৈ কওক।



টোকা



## অগ্ৰগতিৰ নিৰীক্ষণ - ৬

১। পঢ়িবলৈ শিকাবৰ বাবে দুটা নতুন কাৰ্যকলাপৰ পৰামৰ্শ দিয়ক-

.....................................................................

.....................................................................

২। পঢ়িবলৈ শিকাত কাৰ্যকলাপে কিদৰে সহায় কৰে?

................................................................

...............................................................

.............................................................

## ৫.৫ পঠন আৰু লিখনৰ মাজত সম্বন্ধ ঃ

পঠন আৰু লিখন দুটা ভিন্ন সামৰ্থ বুলি বিবেচনা কৰা হয়। এইটো বিশ্বাস কৰা হয় যে পঠনে লিখিত পাঠ এটাৰ অৰ্থোদ্ধাৰ কৰিবলৈ সক্ষম হয়। একেদৰে লিখন হৈছে আপুনি কি প্ৰকাশ কৰিব তাকে লিখিবলৈ কৰা এটা উৎপাদনমুখীন সামৰ্থ্য।

প্ৰাথমিক স্তৰৰ আঁচনিবোৰত এই সামৰ্থ্যবোৰ প্ৰায়ে ক্ৰম অনুসৰি হ'ব লাগে বুলি বিবেচনা কৰা হয়। আমি ছাত্ৰ-ছাত্ৰীক প্ৰথমে পঢ়িবলৈ তাৰ, পিছতহে লিখিবলৈ শিকাম। নতুন দৃষ্টিতে চকুত পৰা বুজি পোৱা হ'ল পঠন আৰু লিখন দুটা বেলেগ প্ৰক্ৰিয়া নহয় কিন্তু দুয়োৰে ইমান আন্তঃসম্বন্ধ আছে যে পঢ়িবলৈ বুজি পোৱা আৰু পঢ়াৰ সামৰ্থই লিখিবলৈ সামৰ্থ বঢ়ায়। দুয়োটা প্ৰক্ৰিয়া complementaryকৰাৰ বাবে বহুতো উপাদান আছে। যেনে - অৰ্থ সৃষ্টি কৰিবলৈ শব্দ ব্যৱহাৰৰ প্ৰয়োজন আছে বা হয়। একেদৰে যেতিয়া পঢ়া হয় পঢ়ুৱৈজনে পঢ়াখিনিৰ অৰ্থ বিচাৰ কৰে। পঢ়ুৱৈজনে অৰ্থ উদঘাটনৰ পূব সূত্ৰ সমযোজন আৰু সলনি কৰিব পাৰে। কৰে। একেদৰে লিখনত আমি কি লিখিলোঁ বাৰে বাৰে সংস্কৰণ কৰোঁ। আমি পঠন আৰু লিখন দুয়োটাৰে অৰ্থ উলিওৱাও/গঠন কৰো। উদাহৰণস্বৰূপে, এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে মাকে কেলেণ্ডাৰত গেচ চলিণ্ডাৰ সলনি কৰা তাৰিখটোত 'গেচ চিলিণ্ডাৰ সলনি' বুলি লিখা খিনি চাই ছাত্ৰ-ছাত্ৰীগৰাকীয়ে এটা লিখন কাৰ্যই কেৱল চোৱা নাই। স্পষ্টতঃ এই প্ৰক্ৰিয়াটোত পঠন বহুখিনি সোমাই আছে।

এই উদাহৰণটো এনেকুৱা এটা কাৰ্য য'ত পঠন আৰু লিখনৰ বহু ধাৰণা আৰু বিষয় সোমাই আছে। এইটো লক্ষ্য কৰিব লাগিব যে এইটো এনে এটা কাৰ্য য'ত প্ৰায় সকলো ঘৰতে (আনকি বাতৰি কাকত আৰু সাপ্তাহিকীবোৰ নাপালেও চিন দি থোৱা হয়) ঘটি

আছে। কৰা হয়। শিশুটিয়ে মাকে কি কৰিছে এবাৰ বুজি লৈ এই কেলেণ্ডাৰৰ কাৰ্যটো অইন ধৰণে মাকৰ কাৰ্যটো অনুকৰণ কৰি ব্যৱহাৰ কৰিব পাৰে। উদাহৰণ স্বৰূপে ককা-দেউতাকক দেখা লগ কৰিবলৈ যোৱা অক্টোবৰ তাৰিখটো কেলেণ্ডাৰত চিন দিব আৰু দুবাৰ এইটো কৰিব। ইয়াৰ বাবে তেওঁ/সি ডাঙৰৰ বা অভিভাৱকক সহায়ো ল'ব পাৰে। আনকি বিদ্যালয়ত নামভৰ্তি কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলে লিখিত ভাষা আৰু লিখন, পঠন আদি বিভিন্ন প্ৰক্ৰিয়া দেখা পায় বা বুজি পায়।

### অগ্ৰগতিৰ নিৰীক্ষণ - ৭

১। পঠন আৰু লিখনক কিয় সাধাৰণতে দুটা ভিন্ন সামৰ্থ বুলি কোৱা হয়?

..........................................................................................................

..........................................................................................................

২। পঠন আৰু লিখনৰ প্ৰক্ৰিয়াৰ মাজত সাধাৰণ প্ৰক্ৰিয়া কি আছে?

..........................................................................................................

..........................................................................................................

## ৫.৬ সামৰো আহা / আমি কি শিকিলোঁ

পঠন এবিধ সৃজনশীল কলা। পঠনত কি লিখা আছে সেইটো কেৱল পঢ়া নুবুজায়। পঠনত লিখিত পাঠৰ অৰ্থোদ্ধাৰ কৰাৰহে প্ৰয়োজন হয়। যেতিয়া পঢ়া হয় আৰু লিখিত সামগ্ৰীত থকা প্ৰত্যেকটো উপাদানলৈ মন নিদিওঁ, আমি কি বুজিছো তাৰ সামগ্ৰিক দিশটোহে চাওঁ। ইয়াৰ বেচিভাগ আগেয়ে ভবা ধৰণৰ আৰু আৰু অনুমান কৰি লোৱা হয়। এই অনুমান কৰা কাৰ্যটো পঢ়িবলৈ সক্ষম হোৱাৰ এটা অংশ হিচাপে ধৰিব পাৰি। বৰ্তমান পঢ়িবলৈ শিকোৱাৰ পদ্ধতিবোৰত এটা এটাকৈ শব্দবোৰ পঢ়ি যোৱাটো নিৰ্দেশনা দিয়া হয়, নিয়মবোৰ মনত ৰাখি/মুখস্থ ৰাখি এটা এটাকৈ শব্দ পঢ়িবলৈ দিয়া হয়, শুদ্ধ আৰু সঠিকতাৰ ওপৰত গুৰুত্ব দিয়া হয়, বাৰে বাৰে কৰা ভুলবোৰ দেখুৱাই দিয়া হয়, পঢ়িবলৈ সক্ষম হোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া নহয় কিন্তু এইবোৰে পঠনৰ ক্ষেত্ৰত বৰ্তমান বাধা হৈ পৰিছে। এইটো অতি দৰকাৰী কথা যে ছাত্ৰ-ছাত্ৰীক দিয়া পঠন সামগ্ৰীবোৰ আকৰ্ষণীয় হ'ব লাগে আৰু 'পঠন' কাৰ্য আকৰ্ষণীয় প্ৰক্ৰিয়া হোৱাকৈ বিষয়বস্তুৰ লগত সম্পৰ্ক ৰাখিব লাগে।

## ৫.৭ পঠন আৰু প্ৰাসংগিক পুথিৰ বাবে পৰামৰ্শ ঃ

Pandey, Lata (2008), Padhne ke dehlij par, New Delhi, NCERT.

টোকা

NCERT, (2008), Padhne ke samajh, New Delhi, NCERT
Joshi, Susheel (1989) Bachhe Padh Kyo nahin Strete, Eklavya

## ৫.৮ অধ্যায়ৰ শেষ অনুশীলনীবোৰ ঃ

১। এই অধ্যায়টোৰ পৰা পঠনৰ মুখ্য দিশবোৰ কি বুজি পালে?

২। পঠনৰ অৰ্থ কি? এগৰাকী ছাত্ৰ/ছাত্ৰীয়ে পঢ়িবলৈ শিকিছে বুলি আমি কেতিয়া ক'ম?

৩। ছাত্ৰ-ছাত্ৰীক পঠনত সহায় কৰিবলৈ গল্প, সাধুৰ ব্যৱহাৰে সহায় কৰিব বুলি আপুনি ভাবে নে?

৪। আনন্দদায়ক পঠনৰ বাবে আপুনি কি প্ৰচেষ্টা হাতত ল'ব?

৫। পঢ়িবলৈ শিকাত সহায় হোৱাকৈ পাঠ্যপুথিৰ বাহিৰেও আপুনি কি সামগ্ৰী ব্যৱহাৰ কৰিব?

৬। পঢ়িবলৈ শিকোৱাৰ বাবে ব্যৱহৃত বৰ্তমানৰ পদ্ধতিবোৰ বিশ্লেষণ কৰক।

৭। 'ভাষা এটা অংশ অংশকৈ নাইবা সামগ্ৰিকভাৱে শিকিবলৈ সহজ হয়।' আপুনি উদাহৰণসহ বিচাৰ কৰক।

## গৃহকাৰ্য ঃ

১। আপোনাৰ শ্ৰেণীকক্ষত এটা পঠন কোণ সজাওক আৰু ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰক।

২। ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে গোৱা গীত-মাত আৰু কবিতাবোৰ সংগ্ৰহ কৰক। ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ শিকাত সহায় কৰিবলৈ এইবোৰ কেনেকৈ আপুনি ব্যৱহাৰ কৰিব?